# হজ কমিটি অধিনিয়ম, ২০০২

(২০০২ ৰ সংখ্যা ৩৫)

[১১ জুন, ২০০২]

**হজৰ বাবে মুছলিমসকলৰ তীর্থযাত্রীৰ বন্দৰস্ত কৰাৰ বাবে আৰু ইয়াৰ সৈতে সম্পর্কিত বিষয়সমূহৰ বাবে ভাৰতৰ এখন হজ কমিটি আৰু ৰাজ্যিক হজ কমিটি স্থাপন কৰিবলৈ এখন অধিনিয়ম ।**

**ইয়াক ভাৰত গণৰাজ্যৰ ত্ৰিপঞ্চাশত্তম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁকঃ-**

## অধ্যায় - I
## প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ ।

১। (১) এই অধিনিয়মখন হজ কমিটি অধিনিয়ম, ২০০২ ৰূপে অভিহিত কৰা হব ।

(২) এইখন এনে তাৰিখ বা তাৰিখসমূহত বলবৎ হব যিদৰে কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা নিয়ত কৰে আৰু বিভিন্ন তাৰিখসমূহ এই অধিনিয়মৰ বিভিন্ন উপবন্ধসমূহ আৰু বিভিন্ন ৰাজ্যসমূহৰ বাবে নিয়ত কৰে ।

পৰিভাষা।

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,—

(ক) "উপবিধি" মানে ধাৰা ৪৫ ৰ অধীনত প্ৰণয়ন কৰা উপবিধি ;

(খ) "মুখ্য কাৰ্য্যবাহী পদাধিকাৰী" বা "কাৰ্য্যবাহী পদাধিকাৰী" মানে ধাৰা ১৬ ৰ উপধাৰা (১)ৰ বা যথাস্থিতি ধাৰা ২৯ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত কমিটিৰ মুখ্য কাৰ্য্যবাহী পদাধিকাৰী বা ৰাজ্যিক কমিটিৰ কাৰ্য্যবাহী পদাধিকাৰী ;

(গ) "কমিটি" মানে ধাৰা ৩ৰ অধীনত গঠিত ভাৰতৰ হজ কমিটি ;

(ঘ) "সদস্য" মানে ধাৰা ৪ৰ অধীনত মনোনীত কৰা ভাৰতৰ হজ কমিটিৰ বা যথাস্থিতি ধাৰা১৮ৰ অধীনত মনোনীত কৰা ৰাজ্যিক হজ কমিটিৰ এজন সদস্য আৰু ই অধ্যক্ষ আৰু উপাধ্যক্ষ অৰ্ন্তভুক্ত কৰে;

(ঙ) "অধিসূচনা" মানে ভাৰতৰ ৰাজপত্ৰত বা যথাস্থিতি কোনো ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিসূচনা ;

(চ) "তীৰ্থযাত্ৰী" মানে হজলৈ যোৱা বা হজৰ পৰা ঘূৰি অহা কোনো মুছলমান ;

(ছ) "বিহিত" মানে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ধাৰা ৪৪ ৰ অধীনত বা, যথাস্থিতি, ৰাজ্য চৰকাৰৰ দ্বাৰা ধাৰা৪৭ৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(জ) "ৰাজ্যিক কমিটি" মানে ধাৰা ১৮ৰ অধীনত গঠিত ৰাজ্যিক হজ কমিটি আৰু ই ,যুটীয়া ৰাজ্যিক কমিটিক অৰ্ন্তভুক্ত কৰে ;

(ঞ) সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত, "ৰাজ্য চৰকাৰ" মানে সংবিধানৰ অনুচ্ছেদ ২৩৯ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত সেই সংঘ ৰাজ্যক্ষেত্ৰৰ প্ৰশাসক ।

## অধ্যায় - II
## ভাৰতৰ হজ কমিটি

ভাৰতৰ হজ কমিটিৰ গঠন আৰু সন্মিলিতকৰণ ।

৩। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই মৰ্ম্মে নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ ভাৰতৰ হজ কমিটি নামেৰে এখন কমিটি গঠন কৰা হব।

(২) কমিটিখন এই অধিনিয়মৰ উপবন্ধসমূহৰ সাপেক্ষে, সম্পত্তিৰ অৰ্জন, ধাৰণ আৰু নিষ্পত্তি

কৰিবলৈ স্থাৱৰ আৰু অস্থাৱৰ উভয়ৰে, দাতব্য ন্যাস বা বিন্যাস সৃষ্টি কৰিবলৈ আৰু চুক্তি কৰিবলৈ শাশ্বত উত্তৰাধিকাৰ থকা আৰু ক্ষমতাসহ সাধাৰণ মোহৰ থকা, উক্ত নামেৰে নিগমিত নিকায় হব আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদযুক্ত হব ।

(৩) কমিটিৰ মুখ্য কাৰ্য্যালয় মোম্বাইত হব আৰু যেতিয়া কমিটিয়ে ইয়াৰ কাৰ্য্যস্বৰূপে আৱশ্যকীয় বুলি বিবেচনা কৰে, অতিৰিক্ত আঞ্চলিক কাৰ্য্যালয় কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শত মুকলি কৰিব পাৰে ।

কমিটিৰ গঠন । ৪ । কমিটি নিম্নলিখিত সদস্যৰে গঠিত হব, অৰ্থাৎ ঃ-

(i) সংসদৰ তিনিজন সদস্য যাৰ দুজনক, ইয়াৰ মুছলিম সদস্যৰ মাজৰ পৰা লোক সভাৰ অধ্যক্ষৰ দ্বাৰা আৰু এজনক ইয়াৰ মুছলিম সদস্যৰ মাজৰ পৰা ৰাজ্য পৰিষদৰ অধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হবঃ

পৰন্তু সংসদৰ এজন সদস্যই, সদস্য নোহোৱাত কমিটিৰ এজন সদস্য নহব আৰু লোকসভাৰ অধ্যক্ষ বা যথাস্থিতি ৰাজ্য পৰিষদৰ অধ্যক্ষই কেন্দ্ৰীয় চৰকাৰৰ অনুৰোধত নতুন মনোনয়ন কৰিব ;

(ii) কমিটিৰ নজন মুছলিম সদস্য, শেষৰ তিনি বছৰৰ ভিতৰত সংখ্যা গৰিষ্ঠ তীৰ্থযাত্ৰী পঠিওৱা ৰাজ্যসমূহৰ পৰা তিনিজন সদস্য আৰু অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা দৰে প্ৰত্যেক অঞ্চলৰ পৰা এজন সদস্যক বিহিত কৰা দৰে এনে ৰীতিত নিৰ্বাচিত কৰা হব ঃ

পৰন্তু এজন সদস্যৰ অনধিক সদস্য, অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা অঞ্চলৰ অধীনত এখন ৰাজ্যৰ পৰা নিৰ্বাচিত কৰা হব ;

(iii) বৈদেশিক পৰিক্ৰমা, গৃহ, বিত্ত আৰু চিভিল বিমান পৰিবহন মন্ত্ৰালয়ক প্ৰতিনিধিত্ব কৰিবলৈ, সেই চৰকাৰৰ দ্বাৰা মনোনীত ভাৰত চৰকাৰৰ যুটীয়া সচিবৰ পদমৰ্য্যদাৰ নিম্নতৰ নোহোৱা চাৰিজন ব্যক্তি পদেন সদস্য হব ।

(iv) সাতজন মুছলিম সদস্য, নিম্নলিখিত ব্যক্তিসকলৰ শ্ৰেণীসমূহৰ মাজৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হব, অৰ্থাৎ ঃ-

(ক) দুজন সদস্য, যাৰ লোক প্ৰশাসন, বিত্ত, শিক্ষা, সাংস্কৃতিক বা সামাজিক কামৰ বিশেষ জ্ঞান থাকে আৰু তাৰে ভিতৰৰ এজন, চিয়া মুছলিম সদস্য হব ;

(খ) দুগৰাকী মহিলা সদস্যা, তাৰে ভিতৰৰ এজন চিয়া মুছলিম হব ;

(গ) তিনিজন সদস্য, যাৰ মুছলিম ধৰ্মবিদ্যা আৰু বিধিৰ বিশেষ জ্ঞান থাকে, তাৰে ভিতৰৰ এজন চিয়া মুছলিম হব ;

সদস্যসকলৰ অধিসূচনা । ৫ । ধাৰা ৪ৰ অধীনত কমিটিৰ সদস্যসকলৰ মনোনয়নৰ পিচত যথাশীঘ্ৰে কেন্দ্ৰীয় চৰকাৰে এনে সকলো সদস্যৰ নাম চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰিব ।

পদাৱধি। ৬ । (১) কমিটিৰ সদস্যসকলৰ পদাৱধি (পদেন সদস্য আৰু আকস্মিক পদৰিক্তি পূৰণ কৰা সদস্য সকলৰ ব্যতিৰেকে) ধাৰা ৫ৰ অধীনত সদস্যসকলৰ তালিকাৰ প্ৰকাশনৰ পিছদিনাৰ পৰা আৰম্ভ কৰি তিনি বছৰ হব ঃ

পৰন্তু কমিটিৰ সদস্যসকলৰ অৱধি কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা একেলগে ছয়মাহৰ অনধিক এটা কালৰবাবে বিস্তৃত কৰিব পাৰে কিন্তু কোনো ক্ষেত্ৰতে মুঠ এবছৰ কালতকৈও অনধিকৰ বিস্তৃত কৰিব পাৰে ।

(২) অধ্যক্ষ, উপাধ্যক্ষ আৰু সদস্যসকললৈ দেয় ভাত্তাসমূহ আৰু আন নিবন্ধনআৰু চৰ্ত্তাৱলী এনে হব, যিদৰে বিহিত কৰা হয় ।

অধ্যক্ষ আৰু উপাধ্যক্ষ । ৭ । ধাৰা ৫ৰ অধীনত কমিটিৰ সদস্যসকলৰ নামসমূহ প্ৰকাশনৰ পিচত, কেন্দ্ৰীয় চৰকাৰে এনে প্ৰকাশনৰ পঞ্চল্লিচ দিনৰ ভিতৰত কমিটিৰ প্ৰথম সভা আহ্বান কৰিব য'ত কমিটি সদস্যসকলৰ মাজৰ পৰা এজন অধ্যক্ষ আৰু দুজন উপাধ্যক্ষ নিৰ্বাচিত কৰিব ঃ

পৰন্তু এজন মন্ত্ৰী, কমিটিৰ অধ্যক্ষ নহব আৰু পদেন সদস্যসকলে অধ্যক্ষ বা উপাধ্যক্ষৰ নিৰ্বাচনত ভাগ নলয় ।

(২) যদি কমিটিয়ে অধ্যক্ষ বা উপাধ্যক্ষ নিৰ্বাচনত অসফল হয় তেতিয়া কেন্দ্ৰীয় চৰকাৰে কমিটিৰকোনো সদস্যক ইয়াৰ অধ্যক্ষ বা যথাস্থিতি উপাধ্যক্ষ হ'বলৈ নিযুক্তি দিব পাৰে।

(৩) অধ্যক্ষই এনে ক্ষমতা প্ৰয়োগ কৰিব আৰু এনে কৰ্ত্তব্য নিৰ্বাহ কৰিব যিদৰে বিহিত কৰা হয়।

(৪) উপাধ্যক্ষই এনে ক্ষমতা প্ৰয়োগ কৰিব আৰু এনে কৰ্ত্তব্যসমূহ নিৰ্বাহ কৰিব যিদৰে কমিটিৰ দ্বাৰা এই মৰ্ম্মে প্ৰণীত উপবিধিৰ দ্বাৰা অৱধাৰিত কৰা হয় ঃ

পৰন্তু এনে উপবিধি প্ৰণীত কৰালৈকে উপাধ্যক্ষই এনে ক্ষমতা প্ৰয়োগ কৰিব আৰু এনে কৰ্ত্তব্য নিৰ্বাহ কৰিব যিদৰে সভাপতিয়ে এই ক্ষেত্ৰত প্ৰণীত কোনো আদেশৰ দ্বাৰা অৱধাৰিত কৰে ।

(৫) অধ্যক্ষ আৰু উপাধ্যক্ষৰ নিৰ্বাচন চৰকাৰী ৰাজপত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা হব ।

(৬) অধ্যক্ষ আৰু যথাস্থিতি উপাধ্যক্ষৰ পদাৱধি কমিটিৰ অৱধিৰ সমকালীন হব আৰু কোনো ব্যক্তিয়ে অধ্যক্ষৰ দুটাতকৈ অধিক ক্ৰমাগত অৱধিৰ বাবে অধ্যক্ষ বা যথাস্থিতি উপাধ্যক্ষৰ পদ ধাৰণ নকৰিব ।

(৭) অধ্যক্ষ বা উপাধ্যক্ষৰ পদত কোনো আকস্মিক পদৰিক্তি, উপধাৰা (১) বা যথাস্থিতি উপধাৰা (২) ৰ অনুসৰণত অৱশিষ্ট কালৰ বাবে পূৰণ কৰা হ'ব ।

কমিটিৰ পুনৰগঠন । ৮। (১) কেন্দ্ৰীয় চৰকাৰে অৱধিৰ অৱসানৰ কমেও চাৰিমাহ পূৰ্বে বা যথাস্থিতি বিস্তাৰিত অৱধিত নতুন কমিটিৰ পুনৰগঠনৰ বাবে সকলো আৱশ্যকীয় ব্যৱস্থা লব বা লবলৈ কাৰিত কৰিব ।

(২) কোনো বহিৰ্গামী সদস্য, দুটা অৱধিৰ অনধিক কালৰ বাবে কমিটিত পুনৰ মনোনয়নৰ বাবে যোগ্য হব ঃ

পৰন্তু সদস্যসকলৰ শতকৰা পঞ্চাশৰ অনধিকক এনে ৰীতিত দ্বিতীয় বাৰৰ বাবে পুনৰ মনোনীত কৰিব পাৰে যিদৰে বিহিত কৰা হয় ।

কমিটিৰ কৰ্ত্তব্য । ৯। (১) কমিটিৰ কৰ্ত্তব্য -----

(i) তীৰ্থযাত্ৰী সকলৰ উপযোগী তথ্যৰ সংগ্ৰহ কৰা আৰু প্ৰসাৰ কৰা আৰু তীৰ্থযাত্ৰীৰ বাবে দিশস্থিতি আৰু প্ৰশিক্ষণৰ কাৰ্য্যসূচীৰ ব্যৱস্থা কৰা ;

(ii) ছিটা, অন্তঃক্ৰমণ, চিকিৎসা পৰিদৰ্শন, তীৰ্থযাত্ৰীৰ পাচ জাৰী কৰা আৰু বৈদেশিক মুদ্ৰা অৰ্ন্তভুক্ত কৰি সকলো বিষয়তে, তীৰ্থযাত্ৰীৰ অহা বা যোৱা যেতিয়া চলি থাকে ভাৰতৰ আৰোহনৰ স্থানত থকাৰ সময়ত তীৰ্থযাত্ৰীসকলক পৰামৰ্শ দিয়া আৰু সহায়তা কৰা আৰু এনে বিষয়সমূহত সংশ্লিষ্ট স্থানীয় প্ৰাধিকাৰীৰ সৈতে সম্পৰ্ক স্থাপন কৰা ;

(iii) বিপদত পৰা তীৰ্থযাত্ৰীক সাহায্য কৰা ;

(iv) বায়ু বা কোনো আন ব্যৱস্থাৰ দ্বাৰা ভ্ৰমণৰ বাবে বন্দৰস্ত অৰ্ন্তভুক্ত কৰি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সৈতে বাৰ্ষিক হজ আঁচনি চূড়ান্ত কৰা আৰু আঁচনি নিষ্পাদন কৰা আৰু থকা ঠাই সম্পৰ্কীয় বিষয়সমূহত পৰামৰ্শ দিয়া ;

(v) কমিটিৰ বাজেট হিচাপ অনুমোদন কৰা আৰু ইয়াৰ সম্পত্তিৰ বাবে বিত্তীয় বছৰৰ প্ৰাৰম্ভৰ কমেও তিনিমাহৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ ইয়াক দাখিল কৰা ;

(vi) তীৰ্থযাত্ৰীৰ বাবে ভ্ৰমণৰ সুবিধাসমূহ সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰ, ৰেল, বিমান আৰু ভ্ৰমণ এজেঞ্চিৰ সৈতে সহযোগ কৰা ;

(vii) তীৰ্থযাত্ৰীসকলৰ কল্যাণৰ বাবে সাধাৰণতঃ চোৱাচিতা কৰা ;

(viii) কমিটিৰ দ্বাৰা এই মৰ্ম্মে প্ৰণীত উপ-বিধিৰ দ্বাৰা অৱধাৰিত কৰা দৰে কমিটিৰ এনে কাৰ্য্যবাহীসমূহ আৰু তীৰ্থযাত্ৰী হিতৰ এনে বিষয়সমূহ প্ৰকাশ কৰা ;

(ix) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে হজৰ সৈতে জড়িত এনে আন কৰ্ত্তব্যসমূহ নিৰ্বহন কৰা ;

(২) কেন্দ্ৰীয় চৰকাৰে উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট কৰ্ত্তব্যসমূহৰ নিৰ্বহনত কমিটিৰ সকলো যুক্তি সহায়তা প্ৰদান কৰিব ।

কমিটিৰ সভাসমূহ ।

১০। (১) কমিটিয়ে হজৰ বাবে আঁচনি আৰু বন্দৰস্ত কৰিবলৈ হজৰ সময়ৰ প্ৰাৰম্ভণৰ পূৰ্বে বছৰত কমেও তিনিবাৰ মিলিত হব আৰু এবাৰৰ পাচত কমিটিৰ দ্বাৰা প্ৰণীত সকলো ব্যৱস্থা পুনৰীক্ষণ কৰিব ।

(২) উপ-ধাৰা (১) ত বিনিৰ্দ্দিষ্ট সভাসমূহৰ উপৰিও কমিটিয়ে, সভা অনুষ্ঠিত কৰিব পাৰে যিদৰে আৰু যেতিয়া ইয়াৰ সদস্যসমূহৰ কমেও এক তৃতীয়াংশৰ দ্বাৰা আহবান কৰা বা যেতিয়া অধ্যক্ষৰ দ্বাৰা আৱশ্যক বিবেচনা কৰা হয় ।

(৩) কমিটিৰ কোনো সভাত থূল কৰিবলৈ অপেক্ষিত সদস্যসকলৰ সংখ্যা ইয়াৰ সদস্যসকলৰ এক তৃতীয়াংশ হব ।

(৪) সকলো বিষয়, উপস্থিত থকা সদস্যসকলৰ সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা বিনিশ্চিত কৰা হব আৰু সমানুপাতিক ভোটৰ ক্ষেত্ৰত অধ্যক্ষ বা সভাপতিত্ব কৰা আন ব্যক্তিৰ এটা নিৰ্ণায়ক ভোট থাকিব ।

(৫) কমিটিয়ে ইয়াৰ সভাসমূহত কামকাজৰ লেনদেন লক্ষ্য ৰাখি প্ৰক্ৰিয়াৰ এনে নিয়মাৱলী পালন কৰিব যিদৰে উপবিধিৰ দ্বাৰা অৱধাৰিত কৰা হয় ।

স্থায়ী কমিটি আৰু উপ-কমিটিৰ নিযুক্তি ।

১১। (১) কমিটিয়ে, এনে সংখ্যক সদস্যৰে গঠিত ইয়াৰ সদস্যসকলৰ মাজৰ পৰা আৰু কমিটিৰ দ্বাৰা এই মৰ্ম্মে প্ৰণীত উপবিধিৰ দ্বাৰা অৱধাৰিত কৰাৰ দৰে এনে ক্ষমতা আৰু কৃত্যসহ বিত্ত আৰু হজ বন্দৰস্ত সম্পৰ্কীয় বিষয়সমূহ সংব্যৱহৃত কৰিবলৈ দুখন স্থায়ী কমিটি নিয়োগ কৰিব, ইয়াৰ প্ৰত্যেকখন কমিটিৰ উপাধ্যক্ষজন মুৰব্বী হব ঃ

পৰন্তু অধ্যক্ষই স্থায়ী কমিটিৰ সভাসমূহত সভাপতিত্ব কৰিব যদি তেওঁ সভাত উপস্থিত থাকে ।

(২) কমিটিৰ প্ৰয়োজনাৰ্থে আন উপ-কমিটিসমূহক নিযুক্ত কৰিব পাৰে যিদৰে ই উচিত বিবেচনা কৰে আৰু কোনো এনে উপ-কমিটি এনে সংখ্যক সদস্য আৰু আন ব্যক্তিসমূহেৰে গঠিত হব যিদৰে কমিটিৰ দ্বাৰা এই মৰ্ম্মে প্ৰণীত উপ-বিধিৰ দ্বাৰা অৱধাৰিত কৰা হয় ।

কমিটিৰ এজন সদস্যৰূপে মনোনীত হোৱাৰ বাবে বা হৈ থকাৰ বাবে অনৰ্হতা।

১২। এজন ব্যক্তি, কমিটিৰ সদস্যৰূপে মনোনীত হোৱাৰ বাবে, বা এজন সদস্যহৈ থকাৰ বাবে অনৰ্হ হব যদি তেওঁ —

(i) ভাৰতৰ এজন নাগৰিক নহয় ;

(ii) ধাৰা ৪ৰ খণ্ড (iii)ত উপবন্ধিত দৰে পদেন সদস্যসকলৰ ব্যতিৰেকে, এজন মুচলিম সদস্য নহয় ;

(iii) পঁচিশ বছৰৰ কম হয় ;

(iv) বিকৃত মস্তিষ্কৰ হয় আৰু কোনো সমুচিত ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত কৰা হয় ;

(v) অনুন্মুক্ত দেউলীয়া হয় ;

(vi) কোনো অপৰাধত দোষী সাব্যস্ত কৰা হৈছে যিটো কেন্দ্ৰীয় চৰকাৰৰ মতত নৈতিক অধঃপতন জড়িত হয় ;

(vii) পূৰ্বৰ কোনো ঘটনাত ---

(ক) এজন সদস্য ৰূপে তেওঁক পদৰ পৰা অপসাৰিত কৰা হৈছে ; বা

(খ) কোনো সমুচিত প্ৰাধিকাৰীৰ আদেশৰ দ্বাৰা হয় তীৰ্থযাত্ৰীৰ স্বাৰ্থত কাৰ্য্য নকৰাৰ বাবে বা ভ্ৰষ্টাচাৰৰ বাবে অপসাৰিত কৰা হৈছে ।

অধ্যক্ষ, উপাধ্যক্ষ আৰু সদস্যসকলৰ পদত্যাগ।

১৩। অধ্যক্ষ, উপাধ্যক্ষ বা আন কোনো সদস্যই কেন্দ্ৰীয় চৰকাৰলৈ তেওঁ হস্তাক্ষৰেৰে লিখিতভাৱে সম্বোধন কৰি তেওঁ পদত্যাগ কৰিব পাৰে আৰু ই এনে পদত্যাগৰ তাৰিখৰ পৰা প্ৰভাৱী হব ।

অধ্যক্ষ, উপাধ্যক্ষ আৰু সদস্যসকলৰ অপসাৰণ ।

১৪। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা কমিটিৰ অধ্যক্ষ, উপাধ্যক্ষৰ বা ইয়াৰ কোনো সদস্যক অপসাৰণ কৰিব পাৰে, যদিহে তেওঁ ---

(i) ধাৰা ১২ত বিনিৰ্দ্দিষ্ট অনৰ্হতাসমূহৰ যিকোনোটোৰ সাপেক্ষে হয় বা থাকে ;

(ii) কেন্দ্ৰীয় চৰকাৰে, তেওঁ প্ৰদান কৰা কোনো স্পষ্টীকৰণৰ শুনানীৰ পিচত কমিটিৰ স্বাৰ্থত বা তীৰ্থযাত্ৰীৰ স্বাৰ্থত প্ৰতিকূল প্ৰভাৱী বুলি বিবেচনা কৰাত এনে ৰীতিত কাৰ্য্য কৰিবলৈ অস্বীকাৰ কৰে বা কোনো কাৰ্য্য কৰে বা কাৰ্য্য কৰিবলৈ অসমৰ্থ হয় ;

(iii) কমিটিৰ মতত, পৰ্য্যাপ্ত কাৰণ বিনা কমিটিৰ তিনিখন ক্ৰমাগত সভাত উপস্থিত থাকিবলৈ অসফল হয় ;

(২) য'ত কমিটিৰ অধ্যক্ষ বা উপাধ্যক্ষক উপধাৰা (১)ৰ অধীনত অপসাৰিত কৰা হয়, তেওঁ কমিটিৰ এজন সদস্য হৈ নাথাকিব ।

আকস্মিক পদৰিক্তি পূৰণ ।

১৫। (১) যেতিয়া কোনো সদস্যৰ আসন তেওঁৰ অপসাৰণ, পদত্যাগ, মৃত্যু বা অন্যথাৰ দ্বাৰা ৰিক্ত হয়, এজন নতুন সদস্যক তেওঁৰ স্থানত মনোনীত বা যথাস্থিতি নিৰ্বাচিত কৰা হব, আৰু এনে সদস্যই এজন সদস্য ৰূপে যিমান দিনলৈকে পদধাৰণ কৰে যাৰ স্থান তেওঁ পূৰণ কৰে,পদধাৰণ কৰিবলৈ হক্দাৰ হ'ল-হেঁতেন যদিহে এনে পদৰিক্তি নহ'লহেতেঁন ।

মুখ্য কাৰ্য্যবাহী পদাধিকাৰী আৰু আন কৰ্মীবৃন্দ ।

১৬। (১) কেন্দ্ৰীয় চৰকাৰে এনে নিবন্ধন আৰু চৰ্ত্তত কমিটিৰ মুখ্য কাৰ্য্যবাহী পদাধিকাৰী হোৱা ভাৰত চৰকাৰৰ উপ সচিবৰ মৰ্য্যদাৰ নিম্নতৰ নোহোৱা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুচলিম পদাধিকাৰীৰ সূচীৰ পৰা এজন ব্যক্তিক নিযুক্তি দিব যিদৰে বিহিত কৰা হয় ।

(২) মুখ্য কাৰ্য্যবাহী পদাধিকাৰী কমিটিৰ পদেন সচিব হব ।

(৩) মুখ্য কাৰ্য্যবাহী পদাধিকাৰীক তিনি বছৰ কালৰ বাবে নিয়োগ কৰা হব, যিটো কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এবছৰৰ এটা সৰ্বোচ্চ কালৰ দ্বাৰা বিস্তৃত হব ।

(৪) মুখ্য কাৰ্য্যবাহী পদাধিকাৰীয়ে কমিটিৰ সিদ্ধান্ত নিষ্পাদন কৰিব আৰু এনে আন কৃত্যসমূহ সম্পাদন কৰিব যিদৰে বিহিত কৰা হয় ঃ

পৰন্তু মুখ্য কাৰ্য্যবাহী পদাধিকাৰী আৰু কমিটিৰ মাজত মতামতৰ কোনো প্ৰভেদৰ ক্ষেত্ৰত, তেওঁ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিব যাৰ সিদ্ধান্তই চূড়ান্ত হব ।

(৫) কমিটিয়ে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব সংমোদন সহ, বিহিত কৰা দৰে এনে নিবন্ধন আৰু চৰ্ত্তাৱলীত এই অধিনিয়মৰ প্ৰয়োজনসমূহ কাৰ্য্যকৰী কৰিবলৈ আৱশ্যকীয় বিবেচনা কৰা দৰে এনে আন পদাধিকাৰী আৰু কৰ্মীবৃন্দ নিযুক্ত কৰিব পাৰে ।

## অধ্যায় - III

### ৰাজ্যিক হজ কমিটি

ৰাজ্যিক হজ কমিটিৰ স্থাপন আৰু সম্মিলিতকৰণ।

১৭। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰদ্বাৰা, এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ এই মৰ্ম্মে নিয়ত কৰা দৰে কোনো ৰাজ্যৰ চৰকাৰে হজ কমিটিৰ ---- (ৰাজ্যৰ নামৰ ) নামেৰে কোনো কমিটি গঠন কৰিব পাৰে ঃ

পৰন্তু যদিহে কোনো কাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতীত হয় যে হজ কমিটিৰ স্থাপন কৰিবলৈ কোনো ৰাজ্যৰ বা সংঘ ৰাজ্যৰ বাবে আৱশ্যক নহয় ই সেই তীৰ্থযাত্ৰীৰ সৈতে সংব্যৱহাৰ কৰিবলৈ আৰু সেইবোৰ ৰাজ্যত আৰু সংঘ ৰাজ্যক্ষেত্ৰত যোগ্য প্ৰতিনিধিত্বৰ পৰামৰ্শ দিবলৈ সংলগ্ন ৰাজ্যৰ ৰাজ্যিক হজ কমিটিক ই প্ৰাধিকৃত কৰিব পাৰে ।

ৰাজ্যিক কমিটি, এই অধিনিয়মৰ উপবন্ধৰ সাপেক্ষে, সম্পত্তিৰ অৰ্জন, ধাৰণ আৰু নিষ্পত্তি কৰিবলৈ স্থাৱৰ আৰু অস্থাৱৰ উভয়ে দাতব্য ন্যাস বা বিন্যাস সৃষ্টি কৰিবলৈ আৰু চুক্তি কৰিবলৈ শাশ্বত উত্তৰাধিকাৰ থকা আৰু ক্ষমতাসহ সাধাৰণ মোহৰ থকা, উক্ত নামেৰে নিগমিত নিকায় হব আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদযুক্ত হব ।

(৩ ) এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, কোনো চুক্তি প্ৰবিষ্ট কৰা হব ---

(ক) সংলগ্ন ৰাজ্যসমূহৰ দুই বা ততোধিকৰ দ্বাৰা; বা

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা (এক বা ততোধিক সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত) আৰু এনে সংঘ ৰাজ্যক্ষেত্ৰ বা সংঘ ৰাজ্যক্ষেত্ৰসমূহৰ এক বা ততোধিক সংলগ্ন ৰাজ্য চৰকাৰৰ দ্বাৰা ;

এনে কালৰ বাবে বলবৎ হোৱা আৰু এনে অতিৰিক্ত কালৰ বাবে নবীকৰণৰ সাপেক্ষে, যদি কিবা থাকে, যিদৰে যুটীয়া ৰাজ্যিক কমিটিৰ গঠনৰ বাবে উপবন্ধিত কৰিবলৈ চুক্তিত বিনিৰ্দ্দিষ্ট কৰিব পাৰে, ---

(i) সকলো অংশগ্ৰহনকাৰী ৰাজ্যৰ বাবে, খণ্ড (ক)ত নিৰ্দেশিত ক্ষেত্ৰত ;

(ii) সংঘ ৰাজ্যক্ষেত্ৰ বা সংঘ ৰাজ্যক্ষেত্ৰসমূহত আৰু ৰাজ্য বা ৰাজ্যসমূহত অংশগ্ৰহনকাৰীৰ বাবে খণ্ড (খ)ত নিৰ্দ্দেশিত ক্ষেত্ৰত;

(৪) এই ধাৰাৰ অধীনত কোনো চুক্তি, উপ-ধাৰা (২)ৰ খণ্ড (ক)ত নিৰ্দ্দেশিত ক্ষেত্ৰত,অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰ চৰকাৰী ৰাজপত্ৰত আৰু সেই উপ-ধাৰাৰ খণ্ড (খ)ত নিৰ্দেশিত ক্ষেত্ৰ ত, সংঘ ৰাজ্য বা সংঘ ৰাজ্যক্ষেত্ৰসমূহ আৰু অংশগ্ৰহণকাৰী ৰাজ্য বা ৰাজ্যসমূহৰ চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হব।

(৫) ৰাজ্যিক কমিটিলৈ এই অধিনিয়মৰ কোনো প্ৰসঙ্গ নিৰ্দ্দেশ, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে, কোনো যুটীয়া ৰাজ্যিক কমিটি অন্তভুক্ত কৰা দৰে অৰ্থ হব ।

ৰাজ্যিক কমিটিৰ গঠন ।

১৮। (১) কোনো ৰাজ্যিক কমিটি, ৰাজ্য চৰকাৰৰ দ্বাৰা মনোনীত হোৱা যোল্লজন সদস্যৰে গঠিত হব, অৰ্থাৎ ঃ----

(i) মুচলিম সদস্যসকলৰ পৰা তিনিজন সদস্যক যিবোৰ ----

(ক) ৰাজ্যক প্ৰতিনিধিত্ব কৰা সাংসদ ;

(খ) ৰাজ্যিক বিধানসভা ; আৰু

(গ) বিধান পৰিষদ, য'তই বিদ্যমান ;

(ii) ৰাজ্যৰ স্থানীয় নিকায়ত প্ৰতিনিধিত্ব কৰা মুচলিম সদস্যসকলৰ পৰা তিনিজন সদস্য ;

(iii) এজন চিয়া মুচলিমক অন্তৰ্ভুক্ত কৰি মুচলিম ধৰ্ম্মবিদ্যা আৰু বিধিত দক্ষতা থকা তিনিজন সদস্য ;

(iv) লোক প্ৰশাসন, বিত্ত, শিক্ষা, কৃষ্টি বা সামাজিক কাৰ্য্য ক্ষেত্ৰত কাম কৰা মুচলিম স্বেচ্ছামূলক সংস্থাত প্ৰতিনিধিত্ব কৰা পাঁচজন সদস্য ;

(v) ৰাজ্যিক ৱাকফ বোৰ্ডৰ অধ্যক্ষ ; আৰু

(vi) ৰাজ্যিক কমিটিৰ কাৰ্য্যবাহী পদাধিকাৰী, যি ৰাজ্যিক কমিটিৰ পদেন সদস্য হব ঃ

পৰন্তু কোনো সংঘ ৰাজ্যক্ষেত্ৰ বা যুটীয়া ৰাজ্যিক কমিটিৰ বাবে থকা কমিটি, এনে সংখ্যক সদস্যৰে গঠিত হব যিদৰে বিহিত কৰা হয় ।

(২) কোনো ক্ষেত্ৰত য'ত উপধাৰা (১) ৰ খণ্ড (i) আৰু (ii) ত উল্লিখিত কোনো শ্ৰেণীত মুচলিম সদস্য নাই বা য'ত কোনো ৰাজ্যত বিধান পৰিষদ নাই, এনে ৰীতিত মনোনয়ন কৰিব পাৰিব যিদৰে বিহিত কৰা হয় ।

সদস্যসকলৰ অধিসূচনা ।

১৯ । ধাৰা ১৮ৰ উপধাৰা (১)ৰ অধীনত ৰাজ্যিক কমিটিৰ সদস্যসকলৰ মনোনয়নৰ পিচত যথাশীঘ্ৰে ৰাজ্য চৰকাৰে, সেই ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত এনে সকলো নাম প্ৰকাশ কৰিব ।

পদাৱধি ।

২০ । (১) ৰাজ্যিক কমিটিৰ সদস্যসকলৰ পদাৱধি (অন্যথা পদেন সদস্য আৰু আকস্মিক পদৰিক্তি সমূহ পূৰণ কৰা সদস্যসকলৰ ব্যতিৰেকে) ধাৰা ১৯ ৰ অধীনত সদস্যসকলৰ তালিকা প্ৰকাশনৰ পিছ দিনাৰ পৰা আৰম্ভ কৰি তিনি বছৰ হব ।

(২) অধ্যক্ষ আৰু সদস্যসকললৈ দেয় আৰু আন নিৰন্ধন আৰু চৰ্ত্তাৱলী এনে হব যিদৰে বিহিত কৰা হয়।

অধ্যক্ষ ।

২১।(১) ধাৰা ১৯ৰ অধীনত ৰাজ্যিক কমিটিৰ সদস্যসকলৰ নামসমূহৰ প্ৰকাশৰ পিচত ৰাজ্য চৰকাৰে, ৰাজ্যিক কমিটিৰ প্ৰথম সভাসমূহ পঞ্চলিচ দিনৰ ভিতৰত আহবান কৰিব য'ত ৰাজ্যিক কমিটিয়ে ইয়াৰ সদস্যসকলৰ মাজৰ পৰা এজন অধ্যক্ষ নিৰ্ব্বাচিত কৰিব ঃ

পৰন্তু পদেন সদস্যই অধ্যক্ষ নিৰ্ব্বাচনত অংশ গ্ৰহন নকৰিব ।

(২) যদি ৰাজ্যিক কমিটিয়ে এজন অধ্যক্ষ নিৰ্ব্বাচন কৰিবলৈ অসফল হয় তেতিয়া ৰাজ্য চৰকাৰে ৰাজ্যিক কমিটিৰ এজন সদস্যক ইয়াৰ অধ্যক্ষ বুলি নিযুক্ত কৰিব পাৰে ।

(৩) অধ্যক্ষৰ নিৰ্ব্বাচন, ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা হব ।

(৪) অধ্যক্ষৰ পদাৱধি তিনি বছৰ হব আৰু কোনো ব্যক্তিয়ে দুটাতকৈ, অধিক ক্ৰমাগত অৱধিৰ বাবে অধ্যক্ষ পদ ধাৰণ নকৰিব ।

(৫) অধ্যক্ষৰ পদত কোনো আকস্মিক পদৰিক্তি, উপধাৰা (১) বা যথাস্থিতি উপধাৰা (২)ৰ অনুসৰণত পূৰণ কৰা হব ।

ৰাজ্যিক কমিটিৰ পুনৰ্গঠন ।

২২। (১) ৰাজ্য চৰকাৰে ৰাজ্যিক কমিটিৰ অৱধিৰ অৱসানৰ কমেও চাৰি মাহৰ পূৰ্ব্বে এখন নতুন ৰাজ্যিক কমিটিৰ পুনৰ্গঠনৰ বাবে সকলো আৱশ্যকীয় ব্যৱস্থা লব বা লোৱলৈ কাৰিত কৰিব ।

(২) কোনো বহির্গামী সদস্য দুটা অৱধিৰ অনধিক কালৰ বাবে ৰাজ্যিক কমিটিত পুনৰ মনোনয়নৰ বাবে যোগ্য হব ঃ

পৰন্তু মনোনীত প্ৰাৰ্থীৰ পঞ্চাশ শতাংশ এনে ৰীতিত দ্বিতীয় কালৰ বাবে পুনৰ মনোনীত হব পাৰে যিদৰে বিহিত কৰা হয় ।

কমিটিৰ এজন সদস্যৰূপে মনোনীত হোৱাৰ বাবে বা হৈ থকাৰ বাবে অনৰ্হতা ।

২৩ । এজন ব্যক্তি, ৰাজ্যিক কমিটিৰ সদস্য ৰূপে মনোনীত হোৱাৰ বাবে, বা হৈ থকাৰ বাবে অনৰ্হ হব, যদি তেওঁ ——

(i) ভাৰতৰ এজন নাগৰিক নহয় ;

(ii) সেই ৰাজ্যৰ এজন বাসিন্দা নহয় ;

(iii) ধাৰা ১৮ ৰ উপধাৰা (১)ৰ খণ্ড (iv)ত উপবন্ধিত দৰে এজন কাৰ্য্যবাহী পদাধিকাৰী ব্যতিৰেকে এজন মুছলিম নহয় ;

(iv) বয়স পঁচি শ বছৰৰ কম হয় ;

(v) বিকৃত মস্তিষ্কৰ হয় আৰু কোনো সমুচিত ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত কৰা হয় ;

(vi) অনুন্মুক্ত দেউলীয়া হয় ;

(vii) কোনো অপৰাধত দোষী সাব্যস্ত কৰা হৈছে, যিটো ৰাজ্য চৰকাৰৰ মতে নৈতিক অধঃপতন জড়িত হয় ;

(viii) কোনো পূৰ্ব্ব ঘটনাত ——

(ক) এজন সদস্য ৰূপে তেওঁৰ পদৰ পৰা অপসাৰিত কৰা হৈছে ; বা

(খ) কোনো সমুচিত প্ৰাধিকাৰীৰ আদেশৰ দ্বাৰা হয় তীৰ্থযাত্ৰীৰ স্বাৰ্থৰ হকে কাৰ্য্য নকৰা বাবে বা ভ্ৰষ্টাচাৰৰ বাবে অপসাৰিত কৰা হৈছে ।

অধ্যক্ষ আৰু সদস্যসকলৰ পদত্যাগ ।

২৪ । অধ্যক্ষ বা কোনো আন সদস্যই ৰাজ্য চৰকাৰলৈ তেওঁৰ হস্তাক্ষৰে লিখিতভাৱে সম্বোধন কৰি তেওঁৰ পদত্যাগ কৰিব পাৰে আৰু ই এনে পদত্যাগৰ তাৰিখৰ পৰা প্ৰভাৱী হব ।

অধ্যক্ষ আৰু সদস্যসকলৰ অপসাৰণ ।

২৫ । (১) ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ৰাজ্যিক কমিটিৰ অধ্যক্ষ বা ইয়াৰ কোনো সদস্যক অপসাৰণ কৰিব পাৰে, যদি তেওঁ --

(i) ধাৰা ২৩ত বিনিৰ্দ্দিষ্ট কোনো অনৰ্হতাসমূহৰ যিকোনোটোৰ সাপেক্ষে হয় বা থাকে ; বা

(ii) ৰাজ্য চৰকাৰে, তেওঁ প্ৰদান কৰা কোনো স্পষ্টীকৰণৰ শুণানীৰ পিছত ৰাজ্যিক কমিটিৰ স্বাৰ্থত বা তীৰ্থ যাত্ৰীৰ স্বাৰ্থত প্ৰতিকূল প্ৰভাৱী বুলি বিবেচনা কৰাত এনে ৰীতিত কাৰ্য্য কৰিবলৈ অস্বীকাৰ কৰে বা কোনো কাৰ্য্য কৰে বা কাৰ্য্য কৰিবলৈ অসমৰ্থ হয় ; বা

(iii) ৰাজ্যিক কমিটিৰ মতত, পৰ্য্যাপ্ত কাৰণৰ বিনা, ৰাজ্যিক কমিটিৰ তিনিখন ক্ৰমাগত সভাত উপস্থিত থাকিবলৈ অসফল হয় ।

(২) য'ত ৰাজ্যিক কমিটিৰ অধ্যক্ষ উপধাৰা (১) ৰ অধীনত অপসাৰিত হয়, তেওঁ ৰাজ্যিক কমিটিৰ এজন সদস্য হৈ নাথাকিব ।

আকস্মিক পদৰিক্তিৰ পূৰণ ।

২৬ । (১) যেতিয়া কোনো সদস্যৰ আসন তেওঁৰ অপসাৰণ, পদত্যাগ, মৃত্যু বা অন্যথাৰ দ্বাৰা

ৰিক্ত হয়, এজন নতুন সদস্যক তেওঁৰ স্থানত মনোনীত কৰা হব আৰু এনে সদস্য এজন সদস্যৰূপে যিমান দিনলৈকে পদধাৰণ কৰে, যাৰ স্থান তেওঁ পূৰণ কৰে, পদ ধাৰণ কৰিবলৈ হকদাৰ হ'লহেতেঁন যদিহে এনে পদৰিক্তি নহ'লহেতেঁন ।

(২) উপধাৰা (১) ৰ অধীনত কোনো আকস্মিক পদৰিক্তি একেই শ্ৰেণীৰ দ্বাৰা পূৰণ কৰা হব যিটোত পূৰ্ব্বৰ সদস্য আছিল ।

**ৰাজ্যিক কমিটিৰ কৰ্ত্তব্যসমূহ ।**

২৭ । (১) হজ তীৰ্থযাত্ৰীৰ স্বাৰ্থত কমিটিৰ নীতি আৰু নিৰ্দ্দেশসমূহ প্ৰয়োগ কৰিবলৈ ৰাজ্যিক কমিটিৰ কৰ্ত্তব্য হব ।

(২) ৰাজ্যিক কমিটিয়ে তেওঁলোকৰ নিজা ৰাজ্যত আৰু ভাৰতৰ পৰা প্ৰস্থানৰ স্থান আৰু প্ৰস্থানৰ স্থানত তেওঁলোকৰ অভিবহনৰ সা-সুবিধাৰ মাজত তেওঁলোকৰ পৰিবহনৰ বিষয় অৰ্ন্তভুক্ত কৰি হজ তীৰ্থযাত্ৰীক সহায়তাৰ উপৰন্ধ কৰিব ।

(৩) ৰাজ্যিক কমিটিয়ে কেন্দ্ৰীয় চৰকাৰৰ সৈতে পৰামৰ্শ কৰি সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে হজৰ সৈতে জড়িত এনে আন কৰ্ত্তব্যসমূহ নিৰ্বহন কৰিব ।

**ৰাজ্যিক কমিটিৰ সভাসমূহ ।**

২৮ । (১) এখন ৰাজ্যিক কমিটি হজৰ দিনৰ পূৰ্ব্বে বছৰত কমেও দুবাৰ আৰু হজ হোৱাৰ পিছত এবাৰ মিলিত হব ।

(২) ৰাজ্যিক কমিটিৰ কোনো সভাত থূল কৰিবলৈ অপেক্ষিত সদস্যসকলৰ সংখ্যা ইয়াৰ সদস্যসকলৰ এক তৃতীয়াংশ হব ।

(৩) উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট সভাসমূহৰ সংখ্যাৰ উপৰিও ৰাজ্যিক কমিটিয়ে সভাসমূহ অনুষ্ঠিত কৰিব যিদৰে আৰু যেতিয়া ইয়াৰ সদস্যসকলৰ এক তৃতীয়াংশৰ দ্বাৰা আহবান কৰা হয় বা যেতিয়া অধ্যক্ষৰ দ্বাৰা আৱশ্যক বিবেচনা কৰা হয় ।

(৪) সকলো বিষয়, উপস্থিত থকা সংখ্যাগৰিষ্ঠ সদস্যসকলৰ ভোটৰ দ্বাৰা বিনিশ্চিত কৰা হব আৰু সমানুপাতিক ভোটৰ ক্ষেত্ৰত অধ্যক্ষ বা সভাপতিত্ব কৰা আন ব্যক্তিৰ এটা নিৰ্ণায়ক ভোট থাকিব ।

**ৰাজ্যিক কমিটিৰ কাৰ্য্যবাহী পদাধিকাৰী আৰু আন কৰ্মীবৃন্দ ।**

২৯ । (১) ৰাজ্য চৰকাৰে ৰাজ্যিক কমিটিৰ কাৰ্য্যবাহী পদাধিকাৰী হবলৈ উপসচিব পদমৰ্য্যদাৰ নিম্নতৰ নোহোৱা ইয়াৰ পদাধিকাৰীসকলৰ পৰা এজন ব্যক্তিক নিয়োগ কৰিব ঃ

পৰন্তু এনেদৰে নিযুক্ত হোৱা ব্যক্তিজন, এজন মুচলিম ব্যক্তিক অগ্ৰাধিকাৰ দিয়া হব ।

(২) ৰাজ্যিক কমিটিৰ কাৰ্য্যবাহী পদাধিকাৰীয়ে ইয়াৰ সচিব ৰূপে কাৰ্য্য কৰিব ।

(৩) কাৰ্য্যবাহী পদাধিকাৰীয়ে, ৰাজ্যিক কমিটিয়ে বিহিত কৰা দৰে বিনিশ্চয় নিষ্পাদন কৰিব আৰু এনে আন কৃত্যসমূহ পালন কৰিব ঃ

পৰন্তু কাৰ্য্যবাহী পদাধিকাৰী আৰু ৰাজ্যিক কমিটিৰ মাজত কোনো মতভেদৰ ক্ষেত্ৰত তেওঁ বিষয়টো ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰিব যাৰ বিনিশ্চয় চূড়ান্ত হব ।

(৪) ৰাজ্যিক কমিটিয়ে ৰাজ্য চৰকাৰৰ পূৰ্ব সংমোদন সহ এনে পদাধিকাৰী আৰু আন কৰ্মীবৃন্দ নিয়োজিত কৰিব যিদৰে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে কাৰ্য্য কৰিবলৈ আৱশ্যক গণ্য কৰে ।

(৫) পদাধিকাৰী আৰু কৰ্মীবৃন্দৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী এনে হব যিদৰে বিহিত কৰা হয় ।

## অধ্যায় - IV

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় হজ নিধি। ৩০। কমিটিৰ, কেন্দ্ৰীয় হজ নিধি নামেৰে ইয়াৰ নিজস্ব নিধি থাকিব, আৰু নিম্নলিখিত ধন ইয়াত জমা কৰা হব, অৰ্থাৎ ঃ--

(ক) কোনো মাচুলৰ পৰা উচুলকৃত ধন আৰু সেৱাৰ প্ৰভাৰ যিটো নিম্নলিখিতসমূহৰ বাবে কমিটিৰ দ্বাৰা উদ্‌গৃহীত কৰা হয় ;

(i) হজৰ বাবে আবেদনৰ পঞ্জীয়ন ; আৰু

(ii) হজ তীৰ্থযাত্ৰী ভ্ৰমণৰ পৰিবহন পাছ জাৰী কৰা ;

(খ) হজ পালনৰ বাবে তীৰ্থযাত্ৰীৰ পৰা সংগৃহীত ধন ;

(গ) কমিটিৰ নিধিৰ সকলো নিক্ষেপ আৰু বিনিয়োগৰ পৰা আয় ;

(ঘ) মৃত তীৰ্থযাত্ৰীৰ সা-সম্পত্তিৰ বিক্ৰীৰ পৰা উচুলকৃত ধন আৰু তেওঁলোকৰ দ্বাৰা এৰি অহা ধনৰাশি যিবোৰ দাবী নকৰে আৰু কেন্দ্ৰীয় চৰকাৰলৈ তমাদি হয় ;

(ঙ) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ দ্বাৰা বা চৰকাৰৰ দ্বাৰা অনুমোদিত আন কোনো উৎসৰ দ্বাৰা ঋণ লোৱা কোনো ধন ;

(চ) কোনো উৎসৰ পৰা কমিটিলৈ বৈধভাৱে দেয় হোৱা কোনো পৰিমাণ ; আৰু

১৯৫৯ ৰ ৫১ (ছ) এই অধিনিয়মৰ প্ৰাৰম্ভণত হজ কমিটি অধিনিয়ম, ১৯৫৯ৰ অধীনত স্থাপিত হজ নিধি বা নিৰ্ধন তীৰ্থযাত্ৰী নিধিৰ জমাৰ পৰিমাণ ।

কেন্দ্ৰীয় হজ নিধিৰ প্ৰয়োগ। ৩১। কেন্দ্ৰীয় হজ নিধি, এই অধিনিয়মৰ উপবন্ধসমূহৰ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সাপেক্ষে কমিটিৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ অধীনত থাকিব আৰু নিম্নলিখিতৰ প্ৰয়োজনাৰ্থে প্ৰয়োগ কৰা হব, অৰ্থাৎ ঃ--

(ক) কমিটিৰ মুখ্য কাৰ্য্যবাহী পদাধিকাৰী আৰু আন কৰ্মীবৃন্দৰ বেতন আৰু ভাত্তাসমূহ ;

(খ) ধাৰা ৯ত বিনিৰ্দ্দিষ্ট উদ্দেশ্যৰ আনুষঙ্গিক ভাৰ আৰু ব্যয়ৰ আদায় ;

(গ) কোনো আন ব্যয় যিটো কমিটি বা কোনো ৰাজ্যিক কমিটিৰ দ্বাৰা পূৰণ কৰিবলৈ অপেক্ষিত কৰা হয়, যিদৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত কৰা হয় ।

ৰাজ্যিক হজ নিধি। ৩২। ৰাজ্যিক কমিটিৰ, ৰাজ্যিক হজ নিধি নামেৰে অভিহিত ইয়াৰ নিজস্ব নিধি থাকিব আৰু নিম্নলিখিত ধন ইয়াত জমা কৰা হব, অৰ্থাৎ ঃ--

(i) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে কমিটিৰ দ্বাৰা ইয়ালৈ দিয়া বা মঞ্জুৰ কৰা সকলো ধন ৰাশি ;

(ii) ৰাজ্য চৰকাৰে বা এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে আন কোনো উৎসৰ দ্বাৰা ৰাজ্যিক কমিটিলৈ দিব পৰা কোনো মঞ্জুৰী বা ঋণ যিদৰে ৰাজ্য চৰকাৰৰ দ্বাৰা অনুমোদিত কৰা হয় ;

(iii) কোনো উৎসৰ পৰা ৰাজ্যিক কমিটিলৈ বৈধভাৱে দেয় কোনো পৰিমাণ ; আৰু

(iv) এই অধিনিয়মৰ প্ৰাৰম্ভণত ৰাজ্যিক হজ কমিটিত জমা থকা কোনো ধন ৰাশি যদি তেনে কিবা থাকে ।

ৰাজ্যিক হজ নিধিৰ প্ৰয়োগ।

৩৩। ৰাজ্যিক হজ নিধি, এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো নিয়মাৱলীৰ সাপেক্ষে, ৰাজ্যিক কমিটিৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ অধীনত থাকিব আৰু নিম্নলিখিত প্ৰয়োজনাৰ্থে প্ৰয়োগ কৰা হব, অৰ্থাৎ ঃ—

(i) ইয়াৰ কাৰ্য্যবাহী পদাধিকাৰীৰ ব্যতিৰেকে ৰাজ্যিক কমিটিৰ বেতন আৰু ভাত্তা, যাৰ বেতন আৰু ভাত্তা ৰাজ্য চৰকাৰৰ দ্বাৰা বহন কৰা হব ;

(ii) ধাৰা ২৭ ত বিনিৰ্দ্দিষ্ট উদ্দেশ্যৰ বাবে ৰাজ্যিক কমিটিৰ দ্বাৰা ইয়াৰ কৰ্ত্তব্যসমূহৰ সম্যক পালনত আনুষঙ্গিক প্ৰভাৱ আৰু ব্যয় ; আৰু

(iii) ৰাজ্য চৰকাৰৰ দ্বাৰা অনুমোদিত হিচাবে আন কোনো ব্যয় যিটো ৰাজ্যিক কমিটিৰ দ্বাৰা পূৰণ কৰিবলৈ অপেক্ষিত হয়।

হিচাপ আৰু হিচাপ পৰীক্ষা।

৩৪। (১) কমিটি আৰু প্ৰত্যেক ৰাজ্যিক কমিটিয়ে সঠিক হিচাপ আৰু আন প্ৰাসঙ্গিক অভিলেখ ৰাখিব আৰু এনে প্ৰপত্ৰত হিচাপৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব যিদৰে কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা হয়।

(২) হিচাপসমূহ, এনে হিচাপ পৰীক্ষকৰ দ্বাৰা বাৰ্ষিকভাৱে পৰীক্ষা আৰু হিচাপ পৰীক্ষা কৰা হব যিদৰে কেন্দ্ৰীয় চৰকাৰ বা, যথাস্থিতি ৰাজ্য চৰকাৰে অনুমোদিত কৰিব পাৰে।

(৩) ইয়াৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে হিচাপ পৰীক্ষকৰ দ্বাৰা প্ৰমাণিত কৰা দৰে কমিটি বা ৰাজ্যিক কমিটিৰ হিচাপসমূহ কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰলৈ উক্ত কমিটিৰ দ্বাৰা বাৰ্ষিকভাৱে প্ৰেৰণ কৰা হয়।

(৪) কেন্দ্ৰীয় চৰকাৰে, উপধাৰা (৩)ৰ অধীনত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰাপ্তিৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত এইবোৰক উত্থাপিত কৰিব।

(৫) ৰাজ্য চৰকাৰে, উপধাৰা (৩) ৰ অধীনত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰাপ্তিৰ পিচত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলত এইবোৰক উত্থাপিত কৰিব।

## অধ্যায় - V

## বিবিধ

তীৰ্থযাত্ৰীৰ পাছ জাৰি কৰিবলৈ আৰু মাচুল উদ্‌গৃহীত কৰিবলৈ কমিটিৰ ক্ষমতা।

৩৫। (১) কমিটিৰ, চৌদি আৰবলৈ এজন প্ৰকৃত তীৰ্থযাত্ৰী ৰূপে ভাৰতৰ পৰা তেওঁৰ প্ৰস্থানৰ বাবে এজন হজ তীৰ্থযাত্ৰীলৈ "তীৰ্থ পাছ" নামেৰে অভিহিত এখন ভ্ৰমণ দস্তাৱেজ জাৰি কৰিবলৈ ক্ষমতা থাকিব আৰু উক্ত তীৰ্থযাত্ৰীক, পাৰ-পত্ৰ অধিনিয়ম, ১৯৬৭ৰ ধাৰা ৩ৰ উপবন্ধসমূহৰ পৰা ৰেহাই দিয়া বুলি গণ্য কৰা হব।

(২) পাৰপত্ৰ অধিনিয়ম, ১৯৬৭ত কোনো কথা থকা স্বত্বেও, কেন্দ্ৰীয় চৰকাৰে কমিটিৰ সৈতে পৰামৰ্শ কৰি হজ তীৰ্থযাত্ৰীৰ পঞ্জীয়নৰ বাবে এনে মাচুল উদ্‌গৃহীত কৰিব পাৰে, কমিটিৰ দ্বাৰা তীৰ্থযাত্ৰীৰ পাছ আৰু আন সম্পৰ্কিত বিষয়সমূহ জাৰি কৰিব পাৰে যিদৰে এনে সেৱাসমূহৰ প্ৰদানৰ সম্বন্ধত বিহিত কৰা হয়।

কমিটিৰ অধিক্ৰমণ।

৩৬। (১) যদি কেন্দ্ৰীয় চৰকাৰৰ মতত, কমিটিয়ে এই অধিনিয়মৰ দ্বাৰা বা অধীনত ইয়াৰ ওপৰত আৰোপিত কৰ্ত্তব্যসমূহৰ সম্পাদনত অসফল হয় বা পালনত বাৰে বাৰে ত্ৰুটী কৰে বা ইয়াৰ ক্ষমতাৰ

অতিক্ৰমণ বা অপব্যৱহাৰ কৰে, তেতিয়া কেন্দ্ৰীয় চৰকাৰে, ইয়াৰ কাৰণৰ বিবৃতিসহ একেলগে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এটা আদেশৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে অৱধিৰ বাবে ইয়াক অধিক্ৰমণ কৰিব পাৰে ঃ

পৰন্তু উপৰোক্ত দৰে অধিক্ৰমণৰ কোনো আদেশ কৰাৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে কিয় অধিক্ৰমণ নকৰিব কাৰণ দৰ্শাবলৈ কমিটিক এটা যুক্তিসঙ্গত সুযোগ দিব ।

(২) যেতিয়া কমিটি উপধাৰা (১) ৰ অধীনত কোনো আদেশৰ দ্বাৰা অধিক্ৰমণ হয়, ----

(ক) সকলো সদস্যই আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে তাৰিখত, খণ্ড (ঘ)ৰ অধীনত মনোনয়নৰ বাবে তেওঁলোকৰ অৰ্হতাত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এনে সদস্য হিচাবে তেওঁলোকৰ পদ ৰিক্ত কৰিব ;

(খ) কমিটিৰ অধিক্ৰমণৰ কালত এই অধিনিয়মৰ দ্বাৰা বা অধীনত কমিটিৰ ওপৰত প্ৰদত্ত আৰু আৰোপিত সকলো ক্ষমতা আৰু কৰ্ত্তব্য এনে পদাধিকাৰী বা প্ৰাধিকাৰীৰ দ্বাৰা কাৰ্য্যকৰী আৰু নিষ্পাদন কৰা হব যিদৰে কেন্দ্ৰীয় চৰকাৰে এই মৰ্ম্মে নিয়ত কৰে ;

(গ) কমিটিত ন্যস্ত কৰা সকলো সম্পত্তি, পুনৰ্গঠিত নোহোৱালৈকে, কেন্দ্ৰীয় চৰকাৰত ন্যস্ত কৰা হব ;

(ঘ) অধিক্ৰমণৰ কালৰ অৱসানৰ পূৰ্বে মনোনয়নসমূহ কমিটিৰ পুনৰ্গঠনৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত হব ;

(৩) ইয়াৰ কাৰণৰ বিৱৰণসহ একেলগে এই ধাৰাৰ অধীনত প্ৰণীত অধিক্ৰমণৰ কোনো আদেশ, ই প্ৰণীত হোৱাৰ পিচত যথাশীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হব ।

(৪) কোনো ৰাজ্য চৰকাৰে ইয়াত উল্লিখিত চৰ্ত্তাৱলী আৰু এই সম্বন্ধত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা কোনো নিৰ্দ্দেশনাৰ সাপেক্ষে এই ধাৰাৰ উপধাৰা (১), (২) আৰু (৩)ত উল্লিখিত দৰে ৰাজ্যিক কমিটিৰ সম্পৰ্কত একেই ক্ষমতা আৰু কৰ্ত্তব্যসমূহ কাৰ্য্যকৰী কৰিব ।

**কমিটিৰ সদস্যতা বা ৰাজ্যিক কমিটিয়ে লাভৰ পদ গঠন নকৰিব ।**

৩৭ । সম্প্ৰতি বলবৎ কোনো আন বিধিত কোনো কথা থকা স্বত্বেও, কমিটি বা ৰাজ্যিক কমিটিৰ সদস্যৰ পদক, লাভৰ পদ বুলি গণ্য কৰা নহব ।

**পদৰিক্তি, ইত্যাদিয়ে কমিটিৰ কাৰ্য্যবাহী সমূহ অবৈধ নকৰিব ।**

৩৮ । কমিটি বা ৰাজ্যিক কমিটি বা যথাস্থিতি, যুটীয়া ৰাজ্যিক কমিটিৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী, ইয়াৰ সদস্যসকলৰ মাজৰ কোনো পদৰিক্তিৰ বা ইয়াৰ গঠনত থকা ক্ৰটীৰ কেৱল বিদ্যমানতাৰ কাৰণৰ দ্বাৰা অবৈধ নহব ।

**কমিটিৰ পদাধিকাৰী আৰু কৰ্মীবৃন্দ লোকসেৱক হব । ১৮৬০ ৰ ৪৫**

৩৯ । এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা উপবিধিৰ অধীনত কোনো কৰ্ত্তব্য নিৰ্বহন কৰিবলৈ সম্যকভাৱে নিয়োজিত কমিটিৰ পদাধিকাৰী আৰু কৰ্মীবৃন্দ আৰু আন ব্যক্তিসমূহ ভাৰতৰ দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থত লোকসেৱক বুলি গণ্য হব ।

**সুৰক্ষা ।**

৪০ । কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ পূৰ্ব্বৰ অনুমতি ব্যতিৰেকে, এই অধিনিয়মৰ অধীনত সদ্ বিশ্বাসত কৰা বা কৰিবলৈ তাৎপৰ্য্যিত হোৱা কোনো কাৰ্য্যৰ সম্বন্ধত কমিটি বা ৰাজ্যিক কমিটিৰ এজন অধ্যক্ষ, উপাধ্যক্ষ বা কোনো সদস্যৰ বিৰুদ্ধে নচলিব ।

**অনুসূচী সংশোধন কৰিবলৈ ক্ষমতা ।**

৪১ । (১) যদি কেন্দ্ৰীয় চৰকাৰ সন্তুষ্ট হয় যে এনে কৰিবলৈ এইটো আৱশ্যকীয় বা সমীচীন, ই চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা অনুসূচী সংশোধন কৰিব আৰু ইয়াৰ ওপৰত অনুসূচী তদনুসাৰে সংশোধন কৰা হৈছে বুলি গণ্য কৰা হ'ব ।

(২) উপধাৰা (১) ৰ অধীনত প্ৰণীত প্ৰত্যেক অধিসূচনাৰ এটা প্ৰতিলিপি, ইয়াক প্ৰণীত হোৱাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত হব ।

আপত্তিৰ প্ৰতিকাৰ । ৪২ । কোনো হজ তীৰ্থযাত্ৰী, যি হজ কমিটি বা ৰাজ্যিক হজ কমিটিৰ দ্বাৰা সম্পাদিত কৰ্ত্তব্যসমূহৰ কোনোটোৰ নিৰ্বহনৰ দ্বাৰা ক্ষোভিত হয়, তেওঁ হজ কমিটিলৈ ব যথাস্থিতি ৰাজ্যিক হজ কমিটিলৈ তেওঁৰ আপত্তিৰ প্ৰতিকাৰৰ বাবে এখন প্ৰতিবেদন দিব আৰু ক্ষোভিত ব্যক্তিৰ শুনানীৰ পিচত যদি আৱশ্যক হয় উক্ত কমিটিৰ দ্বাৰা সেইবোৰক নিষ্পত্তি কৰা হ'ব ।

কমিটিত সম্পত্তি আৰু আন অধিকাৰ, ইত্যাদিৰ ন্যস্তকৰণ । ৪৩ । (১) এই অধিনিয়মৰ প্ৰাৰম্ভণত আৰু প্ৰাৰম্ভণৰ পৰা হজ কমিটি অধিনিয়ম, ১৯৫৯ৰ অধীনত গঠিত মোম্বাই হজ কমিটিৰ মালিকীস্বত্ব, ক্ষমতা বা নিয়ন্ত্ৰণত এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে ভূমি, ভৱন, জমা, নগদ ৰাহি, নগদ টকা, আৰক্ষণ নিধি, বিনিয়োগ আৰু এনে সম্পত্তিত থকা বা সম্পত্তিৰ পৰা উদ্ভৱ হোৱা আন সকলো অধিকাৰ আৰু স্বাৰ্থ অন্তৰ্ভুক্ত কৰি, সকলো সম্পদা অধিকাৰ,পট্টাধাৰণ ক্ষমতা, প্ৰাধিকাৰ আৰু বিশেষাধিকাৰ আৰু অস্থাৱৰ আৰু স্থাৱৰ সকলো সম্পত্তি আৰু সকলো হিচাপৰ বহী,পঞ্জী আৰু ইয়ালৈ সম্পৰ্কিত যি প্ৰকৃতিৰেই নহওঁক কিয় আন সকলো দস্তাৱেজ কমিটিত সম্পূৰ্ণৰূপে ন্যস্ত হব আৰু কমিটিৰ অন্তৰ্গত হব ।

(২) এই অধিনিয়মৰ প্ৰাৰম্ভণত আৰু প্ৰাৰম্ভণৰ পৰা কোনো ৰাজ্যৰ হজ কমিটিৰ মালিকীস্বত্ব, ক্ষমতা বা নিয়ন্ত্ৰণত এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে ভূমি, ভৱন, জমা, নগদৰাহি, নগদ টকা, আৰক্ষণ নিধি, বিনিয়োগ, আৰু আন সকলো অধিকাৰ আৰু স্বাৰ্থ অন্তৰ্ভুক্ত কৰি বা যিদৰে এনে সম্পত্তিসমূহত উদ্ভৱ হোৱা স্থাৱৰ আৰু অস্থাৱৰ সকলো সম্পদা, অধিকাৰ, পট্টাধাৰণ, ক্ষমতা অধিকাৰ আৰু সা-সুবিধা আৰু সকলো সম্পত্তি আৰু সকলো হিচাপৰ বহী, পঞ্জীয়ন আৰু ইয়াৰ লগত সম্পৰ্কিত যি কোনো প্ৰকৃতিৰ আন সকলো দস্তাৱেজ ৰাজ্যৰ হজ কমিটিলৈ সম্পূৰ্ণভাৱে ন্যস্ত কৰা হব ।

(৩) কমিটি বা ৰাজ্যিক কমিটিৰ প্ৰয়োজনৰ বাবে বা সম্বন্ধত এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে কমিটি বা এখন ৰাজ্যিক কমিটিলৈ উপগত সকলো ঋণ, দায়বদ্ধতা, আৰু দায়িত্ব, প্ৰবিষ্টি হোৱা সকলো সংবিদা আৰু ইয়াৰ দ্বাৰা, সহ বা ইয়াৰ বাবে কৰিবলৈ আৱদ্ধ হোৱা সকলো বিষয় আৰু কাৰ্য্যক, কমিটি বা যথাস্থিতি এখন ৰাজ্যিক কমিটিলৈ উপগত হোৱা, প্ৰবিষ্টি হোৱা আৰু ইয়াৰ দ্বাৰা, সহ বা ইয়াৰ বাবে আৱদ্ধ বুলি গণ্য কৰা হব ।

(৪) এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে কমিটি বা এখন ৰাজিক কমিটিলৈ দিবলগীয়া সকলো ধন ৰাশি, কমিটিলৈ বা যথাস্থিতি এখন ৰাজ্যিক কমিটিলৈ দেয় বুলি গণ্য কৰা হব ।

(৫) হজ কমিটি, মোম্বাই বা কোনো ৰাজ্যৰ হজ কমিটিৰ হকে প্ৰণীত সকলো সংবিদা আৰু নিষ্পাদিত সকলো লেখ্য, কমিটিৰ বা যথাস্থিতি, ৰাজ্যিক কমিটিৰ হকে প্ৰণয়ন কৰা বা নিষ্পাদিত কৰা বুলি গণ্য কৰা হব আৰু তদনুসাৰে পালন কৰা হব ।

(৬) এই অধিনিয়মৰ প্ৰাৰম্ভণত লম্বিত সকলো বাদ আৰু বিধিক কাৰ্য্যবাহী বা য'ত বা যলৈ হজ কমিটি, মোম্বাই বা কোনো ৰাজ্যৰ হজ কমিটি এটা পক্ষ আছিল, কমিটি বা যথাস্থিতি ৰাজ্যিক কমিটিক ইয়াৰ বাবে প্ৰতিষ্ঠাপিত হোৱা বুলি গণ্য কৰা হব ।

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা । ৪৪ । (১) কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ প্ৰয়োজনসমূহ সম্পন্ন কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ,এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(i) ধাৰা (৪) ৰ খণ্ড (ii)ৰ অধীনত কমিটিৰ সদস্যসকলৰ নিৰ্ব্বাচনৰ ৰীতি ;

(ii) ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত অধ্যক্ষ আৰু সদস্যসকলৰ নিৰন্ধন আৰু চৰ্ত্তাৱলী ;

(iii) ধাৰা ৭ৰ উপধাৰা (৩)ৰ অধীনত অধ্যক্ষৰ ক্ষমতা আৰু কৰ্ত্তব্যসমূহ ;

(iv) যি ৰীতিত সদস্যসকলক ধাৰা ৮ৰ উপধাৰা (২)ৰ পৰন্তুকৰ অধীনত পুনৰ মনোনীত কৰিব পাৰে ;

(v) ধাৰা ৯ৰ উপধাৰা (১)ৰ খণ্ড (ix)ৰ অধীনত হজৰ সৈতে জড়িত কৰ্ত্তব্যসমূহ ;

(vi) ধাৰা ১৬ৰ অধীনত কমিটিৰ মুখ্য কাৰ্য্যবাহী পদাধিকাৰীৰ কৃত্যসমূহ আৰু মুখ্য কাৰ্য্যবাহী পদাধিকাৰী আৰু আন কৰ্মচাৰীসকলৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(vii) ধাৰা ১৮ৰ উপধাৰা (১)ৰ খণ্ড (vi)ৰ পৰন্তুকৰ অধীনত সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে যুটীয়া ৰাজ্যিক কমিটি বা কোনো কমিটিৰ সদস্যসকলৰ সংখ্যা ;

(viii) যি ৰীতিত হিচাপসমূহ আৰু হিচাপৰ হিচাপ পৰীক্ষা ধাৰা ৩৪ৰ অধীনত কমিটি আৰু ৰাজ্যিক কমিটিৰ দ্বাৰা ৰখা হব ;

(ix) ধাৰা ৩৫ৰ উপধাৰা (১)ৰ অধীনত হজ তীৰ্থযাত্ৰীৰ পাছ জাৰি কৰা ;

(x) ধাৰা ৪১ৰ অধীনত সংলগ্ন ৰাজ্যসমূহত বা সংঘ ৰাজ্যক্ষেত্ৰ সমূহৰ লগত ভুক্ত অঞ্চল সম্বন্ধিত অনুসূচীৰ সংশোধন ;

(xi) আন কোনো বিষয় যিটো বিহিত কৰিব পাৰি ;

(৩) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে অধিবেশন চলি থকাৰ সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশদিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰিব লাগিব আৰু যদি অধিবেশন অব্যৱহিত পৰৱৰ্ত্তী অধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্ব্বে, উভয় সদনত নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিচত নিয়ম ক্ষেত্ৰ বিশেষে এনে সালসলনিৰ আকাৰত প্ৰভাৱী হব বা একেবাৰে প্ৰভাৱহীন হব ; সেয়ে হলেও এনে সালসলনি বা ৰদকৰণে সেই নিয়মৰ অধীনত পূৰ্ব্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

উপবিধি প্ৰণয়নৰ ক্ষমতা ।

৪৫ । (১) কমিটিয়ে অধিসূচনাৰ দ্বাৰা, নিম্নলিখিত বিষয়সমূহৰ সম্পৰ্কত এই অধিনিয়মৰ উপৰন্ধাৱলী আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সুসঙ্গত উপবিধি প্ৰণয়ন কৰিব পাৰে, অৰ্থাৎ ঃ-

(i) ধাৰা ৭ ৰ উপধাৰা (৪)ৰ অধীনত উপাধ্যক্ষৰ ক্ষমতা আৰু কৰ্ত্তব্যসমূহ ;

(ii) ধাৰা ৯ৰ উপধাৰা (১)ৰ খণ্ড (viii)ৰ অধীনত কমিটিৰ কাৰ্য্যবাহী প্ৰকাশনৰ বাবে আৰু তীৰ্থযাত্ৰীৰ স্বাৰ্থ জড়িত কোনো বিষয়ৰ বাবে উপবন্ধ কৰা ;

(iii) ধাৰা ১০ৰ উপধাৰা (৫)ৰ অধীনত কমিটিৰ সভাসমূহত ব্যৱসায়ৰ সংব্যৱহাৰৰ বাবে প্ৰক্ৰিয়াৰ নিয়মাৱলী প্ৰণয়ন কৰা ;

(iv) ধাৰা ১১ৰ অধীনত স্থায়ী কমিটিৰ ক্ষমতা আৰু কৃত্যসমূহ আৰু উপ কমিটিত সদস্য আৰু আন ব্যক্তিৰ সংখ্যা নিৰ্দ্ধাৰণ কৰা ;

(v) আন কোনো বিষয়ৰ বাবে উপৱন্ধ কৰা যিটো, কমিটিয়ে, এই অধিনিয়মৰ উপৱন্ধসমূহৰ প্ৰভাৱী কৰাৰ বাবে আৱশ্যক গণ্য কৰে ;

(২) এই ধাৰাৰ অধীনত কমিটিৰ দ্বাৰা প্ৰণীত উপবিধি কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰা হ'ব আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিশ্চিত নোহোৱালৈকে সেইবোৰ প্ৰভাৱী নহ'ব ।

(৩) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিশ্চিত কৰা উপবিধিসমূহ চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰা হ'ব ।

আৰোপ কৰাৰ ক্ষমতা ।

৪৬ । এই অধিনিয়মৰ উপৱন্ধসমূহ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সাপেক্ষে কমিটিয়ে, এই অধিনিয়মৰ ইয়াৰ এনে ক্ষমতাসমূহ (ধাৰা ৪৫ৰ অধীনত উপবিধি প্ৰণীত কৰাৰ ক্ষমতাসমূহৰ ব্যতিৰেকে) কেন্দ্ৰীয় চৰকাৰক পূৰ্ব অনুমোদন সহ লিখিতভাৱে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা আৰু এই আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে চৰ্ত আৰু পৰিসীমাৰ সাপেক্ষে, এনে ক্ষমতাবোৰ কমিটিৰ কোনো সদস্য বা মুখ্য কাৰ্য্যবাহী পদাধিকাৰীক আৰোপ কৰিব পাৰে, যিদৰে ই আৱশ্যক গণ্য কৰে ।

ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ।

৪৭ । (১) ৰাজ্য চৰকাৰে, কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শত, অধিসূচনাৰ দ্বাৰা, ৰাজ্যিক কমিটিসমূহৰ ক্ষেত্ৰত এই অধিনিয়মৰ প্ৰয়োজনসমূহ সম্পন্ন কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপৱন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ--

(i) ধাৰা ২০ ৰ উপধাৰা (২)ৰ অধীনত ৰাজ্যিক কমিটিৰ অধ্যক্ষ আৰু সদস্যসকলৰ নিৰন্ধন আৰু চৰ্তাৱলী ;

(ii) যি ৰীতিত সদস্যসকলৰ ধাৰা ২২ৰ উপধাৰা (২)ৰ পৰন্তুকৰ অধীনত পুনৰ মনোনীত কৰিব পাৰে ;

(iii) ধাৰা ২৭ৰ উপধাৰা (৩)ৰ অধীনত ৰাজ্যিক কমিটিৰ কৰ্ত্তব্যসমূহ ;

(iv) ধাৰা ২৯ৰ অধীনত মুখ্য পদাধিকাৰীৰ কৃত্যসমূহ আৰু পদাধিকাৰী আৰু আন কৰ্মচাৰীসকলৰ সেৱাৰ নিৰন্ধন আৰু চৰ্তাৱলী ;

(v) আন কোনো বিষয় যিটো বিহিত কৰিবলৈ অপেক্ষিত কৰা হয় বা বিহিত কৰা হয় ;

(৩) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে বিধান মণ্ডলত উত্থাপিত কৰা হ'ব ।

এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বৰ বিদ্যমান কমিটিৰ কৰ্মীবৃন্দৰ সম্পৰ্কে উপবন্ধসমূহ ।

১৯৫৯ ৰ ৫১

৪৮ । কোনো বিদ্যমান কমিটি আৰু যথাস্থিতি ৰাজ্যিক কমিটিৰ প্ৰত্যেক পদাধিকাৰী আৰু আন কৰ্মীবৃন্দই এই অধিনিয়মৰ প্ৰাৰম্ভণত আৰু প্ৰাৰম্ভণৰ পৰা এনে কমিটিয়ে নিৰ্দ্ধাৰণ কৰা দৰে এনে পদসহ কমিটি বা যথাস্থিতি ৰাজ্যিক কমিটিলৈ অন্তৰিত কৰা হ'ব বা এজন পদাধিকাৰী বা আন কৰ্মী হ'ব আৰু সেৱাৰ একে নিবন্ধন আৰু চৰ্তাৱলীত, একেই পাৰিতোষিকত, একেই কাৰ্য্যকালৰ দ্বাৰা তাত পদ বা সেৱা ধাৰণ কৰিব যিদৰে তেওঁ হজ কমিটি অধিনিয়ম, ১৯৫৯ৰ অধীনত গঠিত হজ কমিটিৰ অধীনত ধাৰণ কৰিলেহেঁতেন আৰু এনে কমিটিৰ দ্বাৰা নিৰন্ধন আৰু চৰ্তাৱলী সম্যকভাৱে পৰিৱৰ্ত্তিত এনে সময় নোহোৱালৈকে কমিটিৰ এজন পদাধিকাৰী বা আন কৰ্মচাৰীৰূপে এনেদৰে নিৰন্তৰ ভাৱে কৰিব ঃ

পৰন্তু কমিটি বা যথাস্থিতি কোনো ৰাজ্যিক কমিটি এনে কোনো পদাধিকাৰী বা আন কৰ্মীবৃন্দৰ কাৰ্য্যকাল, পাৰিতোষিক আৰু সেৱাৰ নিৰন্ধন আৰু চৰ্তাৱলী, কেন্দ্ৰীয় বা যথাস্থিতি ৰাজ্য চৰকাৰৰ পূৰ্ব সংমোদন নোহোৱাকৈ তেওঁ অহিতকলৈ পৰিৱৰ্ত্তিত কৰা নহ'ব ঃ

উপৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে এনে কোনো পদাধিকাৰী বা আন কৰ্মীবৃন্দৰ দ্বাৰা প্ৰদান কৰা কোনো সেৱা, কমিটি বা যথাস্থিতি ৰাজ্যিক কমিটিৰ অধীনত প্ৰদান কৰা সেৱা বুলি গণ্য হব।

সদ্ বিশ্বাসত কৰা কামৰ সুৰক্ষা। ৪৯। কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী এই অধিনিয়মৰ অধীনত সদ্ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত কোনো কাৰ্য্যৰ সম্পৰ্কত এই অধিনিয়মৰ অধীনত গঠিত চৰকাৰ বা চৰকাৰৰ কোনো পদাধিকাৰী বা আন কৰ্মীবৃন্দ বা কমিটিৰ বিৰুদ্ধে নচলিব।

জটিলতা দূৰীকৰণৰ ক্ষমতা। ৫০। (১) এই অধিনিয়মৰ উপৰন্ধসমূহ প্ৰভাৱী হোৱাত যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ উপৰন্ধসমূহৰ অসঙ্গত নোহোৱাকৈ আদেশৰ দ্বাৰা জটিলতাসমূহ দূৰ কৰিব পাৰেঃ

পৰন্তু এনে কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুই বছৰৰ এটা অৱধিৰ অৱসানৰ পাচত কৰা নহব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত কোনো আদেশ ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হব।

নিৰ্দ্দেশ দিয়াৰ ক্ষমতাসমূহ। ৫১। কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতাৰ প্ৰয়োগত আৰু ইয়াৰ কৃত্যৰ সম্পাদনত, কমিটি বা ৰাজ্য চৰকাৰ বা ৰাজ্যিক কমিটিলৈ লিখিতভাৱে নিৰ্দ্দেশসমূহ জাৰী কৰিব পাৰে, আৰু এনে কমিটি, ৰাজ্য চৰকাৰে বা যথাস্থিতি ৰাজ্যিক কমিটিয়ে এনে নিৰ্দ্দেশসমূহ অনুপালন কৰিবলৈ বাধ্য হব।

নিৰসন। ৫২। (১) হজ কমিটি অধিনিয়ম, ১৯৫৯ ইয়াৰ দ্বাৰা নিৰসিত।

১৯৫৯ ৰ ৫১ (২) এনে নিৰসন স্বত্বেও, উক্ত অধিনিয়মৰ অধীনত গঠিত হজ কমিটি এই অধিনিয়মৰ অধীনত কমিটিৰ স্থাপন নোহোৱালৈকে কাৰ্য্য কৰি থাকিব যেনিবা এই অধিনিয়মখন পাৰিত কৰা হোৱা নাছিল আৰু ধাৰা ৫ৰ অধীনত এনে অধিসূচনাত কমিটিৰ স্থাপনত পূৰ্বৰ কমিটিৰ ভঙ্গ বাহাল থাকিব।

১৯৫৯ ৰ ৫১ (৩) এনে নিৰসন স্বত্বেও, হজ কমিটি অধিনিয়ম, ১৯৫৯ৰ অধীনত কোনো কাৰ্য্য কৰা বা লোৱা ব্যৱস্থা এই অধিনিয়মৰ তদনুৰূপ উপৰন্ধসমূহৰ অধীনত কৰা বা লোৱা হৈছে বুলি গণ্য কৰা হ'ব।

## অনুসূচী

[ধাৰা ৪ (ii) আৰু ৪১ (i) চাওঁক]

অঞ্চল - I - দিল্লী, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, পঞ্জাৱ, হাৰিয়ানা, হিমাচল প্ৰদেশ, আৰু চণ্ডীগড় সংঘ ৰাজ্যক্ষেত্ৰৰ ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ ;

অঞ্চল - II - উত্তৰ প্ৰদেশ, বিহাৰ, উত্তৰাঞ্চল,আৰু ঝাৰখণ্ড ;

অঞ্চল - III - অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, চট্টিচগড় আৰু উৰিষ্যা ;

অঞ্চল - IV - অসম, পশ্চিমবঙ্গ, ত্ৰিপুৰা, চিকিম, মেঘালয়, অৰুনাচল প্ৰদেশ, মিজোৰাম, নাগালেণ্ড,আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ সংঘ ৰাজ্যক্ষেত্ৰ ;

অঞ্চল - V - মহাৰাষ্ট্ৰ, গুজৰাট, গোৱা, দমন আৰু দিউৰ সংঘ ৰাজ্যক্ষেত্ৰ আৰু দাদৰা আৰু নগৰ হাবেলী ;

অঞ্চল - VI - তামিলনাডু, কেৰেলা, কৰ্ণাটক, আৰু পণ্ডীচেৰী আৰু লাক্ষাদ্বীপৰ সংঘ ৰাজ্যক্ষেত্ৰ ;